DIVISIONAL FOREST OFFICER, DIMA HASAO FOREST DIVISION (EAST) HAFLONG

participation conservation, empowerment livelihood security

ASSAM PROJECT ON FOREST & BIODIVERSITY CONSERVATION

afd AGENCE FRANÇAISE DE DÉVELOPPEMENT

# নাবডি লাংটিং যুটীয়া বন পৰিচালনা সমিতি (জে এফ এম চি)

মাইবং আঞ্চলিক

ডিমা হাচাও (পূব হাফলং) সংমণ্ডল

# ক্ষুদ্ৰ পৰিকল্পনা

Approved

(২০১৬-১৭ৰ পৰা ২০২৫-২৬ লৈ)

Divisional Forest Officer
Dima Hasao Forest Division(East)
Haflong.

নাবডি লাংটিং যুটীয়া বন পৰিচালনা সমিতিৰ দ্বাৰা প্ৰস্তুত

**সহায়কাৰী**

অসম বন বিভাগ

আৰু

কম্পেল', COMPELO

**[ আই আই ই (IIE) আৰু আৰ জি ভি এন (RGVN) আৰু (CML) ]**

জুলাই, ২০১৬

# সংক্ষিপ্ত শব্দৰ সম্পূৰ্ণ নামৰ তালিকা

| সংক্ষিপ্ত নাম | সম্পূৰ্ণ নাম |
|---|---|
| এ চি এফ (ACF) | সহকাৰী বন সংৰক্ষক (এছিষ্টেণ্ট কনজাৰভেটৰ অব্ ফৰেষ্ট) |
| এ এফ ডি (AFD) | এজেন্সী ফ্ৰান্স ডেভেলপমেন্ট |
| এ পি এফ বি চি (APFBC) | বন আৰু জৈৱ-বৈচিত্ৰ্য সংৰক্ষণ বিষয়ক অসম প্ৰকল্প<br>(আছাম প্ৰজেক্ট অন ফৰেষ্ট এণ্ড বায়'ডাইভাৰ্চিটী কনজাৰভেচন) |
| এ পি এল (APL) | দাৰিদ্ৰ্য সীমাৰেখাৰ ওপৰৰ (এব'ভ পভাৰ্টী লাইন) |
| বি পি এল (BPL) | দাৰিদ্ৰ্য সীমাৰেখাৰ তলৰ (বিল' পভাৰ্টী লাইন) |
| চি চি এফ (CCF) | মুখ্য বন সংৰক্ষক (চীফ কনজাৰভেটৰ অব্ ফৰেষ্ট) |
| চি এফ (CF) | বন সংৰক্ষক (কনজাৰভেটৰ অব্ ফৰেষ্ট) |
| চি এম এল (CML) | চেণ্টাৰ ফৰ মাইক্ৰ'ফাইনেন্স এণ্ড লাইভলিহুড |
| কম্পেল'<br>(COMPELO) | ক্ষুদ্ৰ পৰিকল্পনা আৰু জীবিকাৰ সুযোগ বৃদ্ধিৰ বাবে গঠিত মহাজোঁট<br>(কনছাল্টিং ছাৰ্ভিচ ফৰ মাইক্ৰ'প্লেনিং এনহেন্সিং লাইভলিহুড অপৰ্চুনিটিজ) |
| ডি চি এফ (DCF) | উপ-বন সংৰক্ষক (ডেপুটী কনজাৰভেটৰ অব্ ফৰেষ্ট) |
| ডি এফ অ' (DFO) | মাণ্ডলিক বন বিষয়া (ডিভিজনেল ফৰেষ্ট অফিচাৰ) |
| ই ডি চি (EDC) | পৰিৱেশ উন্নয়ন সমিতি (ইক'-ডেভেলপমেণ্ট কমিটী) |
| ই পি এ (EPA) | প্ৰাৰম্ভিক কৰ্মসূচী (এণ্ট্ৰি পইণ্ট এক্টিভিটী) |
| এফ চি এ (FCA) | বন সংৰক্ষণ আইন, ১৯৮১ (ফৰেষ্ট কনজাৰভেচন এক্ট, ১৯৮১) |
| এফ ডি (FD) | বন বিভাগ (ফৰেষ্ট ডিপাৰ্টমেণ্ট) |
| এফ আৰ এ (FRA) | বন অধিকাৰ আইন (ফৰেষ্ট ৰাইট্ছ এক্ট) |
| এফ ভি (FV) | বনগাঁও (ফৰেষ্ট ভিলেজ) |
| এফ ৱাই পি (FYP) | পঞ্চ বাৰ্ষিক পৰিকল্পনা (ফাইভ ইয়াৰ্ছ প্লেন) |
| জি এইচ জি (GHG) | গ্ৰিণ হাউছ গেছ |
| জি অ' আই (GoI) | ভাৰত চৰকাৰ (গৱৰ্নমেণ্ট অব্ ইণ্ডিয়া) |
| জি পি (GP) | গাঁও পঞ্চায়ত |
| এইচ এ (Ha) | হেক্টৰ |
| আই ই চি (IEC) | তথ্য, শিক্ষা আৰু যোগাযোগ (ইনফৰমেচন এডুকেচন এণ্ড কমিউনিকেচন) |

| | |
|---|---|
| আই আই ই (IIE) | ভাৰতীয় উদ্যমিতা প্ৰতিষ্ঠান (ইণ্ডিয়ান ইনষ্টিটিউট অব্ এণ্টাৰপ্ৰিনিঅ'ৰশ্বিপ) |
| জে এফ এম চি (JFMC) | যুটীয়া বন পৰিচালনা সমিতি (জইণ্ট ফৰেষ্ট মেনেজমেণ্ট কমিটী) |
| এম ডি আৰ (MDR) | মুখ্য জিলা পথসমূহ (মেজৰ ডিষ্ট্ৰিক্ট ৰোডছ) |
| এম জি এনৰেগা (MGNREGS) | মহাত্মা গান্ধী ৰাষ্ট্ৰীয় গ্ৰামীণ নিয়োগ নিশ্চিত আঁচনি (মহাত্মা গান্ধী নেচনেল ৰুৰেল এমপ্লয়মেণ্ট গেৰাণ্টি স্কিম) |
| এম অ' ই এফ চি চি (MoEFCC) | পৰিৱেশ, বন আৰু জলবায়ু পৰিৱৰ্তন মন্ত্ৰণালয় (মিনিষ্ট্ৰী অব্ এনভায়ৰণমেণ্ট, ফৰেষ্ট এণ্ড ক্লাইমেট চেঞ্জ) |
| এন টি এফ পি (NTFP) | কাঠ ভিন্ন বন উৎপাদন (নন টিম্বাৰ ফৰেষ্ট প্ৰডিউচ) |
| অ' বি চি (OBC) | অন্যান্য পিছপৰা শ্ৰেণী (আদাৰ বেকৱাৰ্ড ক্লাছেছ) |
| অ' ডি আৰ (ODR) | অন্যান্য জিলা পথসমূহ (আদাৰ ডিষ্ট্ৰিক্ট ৰোড্‌ছ) |
| পি চি চি এফ (PCCF) | প্ৰধান মুখ্য বন সংৰক্ষক (প্ৰিন্সিপাল চীফ কনজাৰভেটৰ অব্ ফৰেষ্ট) |
| পি এইচ চি (PHC) | প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ (প্ৰাইমাৰী হেল্‌থ চেণ্টাৰ) |
| পি এম ইউ (PMU) | প্ৰকল্প পৰ্যবেক্ষণ গোট (প্ৰজেক্ট মনিটৰিং ইউনিট) |
| পি আৰ এ (PRA) | অংশগ্ৰহণমূলক গ্ৰামীণ মূল্যায়ন (পাৰ্টিচিপেট'ৰী ৰুৰল এপ্ৰাইজেল) |
| আৰ ই ডি ডি + (REDD+) | ৰিডিউচিং এমিচন ফ্ৰম ডি-ফৰেষ্টেচন এণ্ড ফৰেষ্ট ডিগ্ৰেডেচন প্লাচ |
| আৰ জি ভি এন (RGVN) | ৰাষ্ট্ৰীয় গ্ৰামীণ বিকাশ নিধি |
| আৰ অ' (RO) | বনাঞ্চলিক বিষয়া (ৰেঞ্জ অফিচাৰ) |
| এছ চি (SC) | অনুসূচিত জাতি (ছিডিউল কাষ্ট) |
| এছ ডি জি (SDG) | স্থিতিশীল উন্নয়ন লক্ষ্য (ছাছটেইনেবল ডেভেলপমেন্ট গ'ল্‌ছ) |
| এছ এল এফ (SLF) | নিৰ্বাহক্ষম জীৱিকা ৰূপৰেখা (ছাছটেইনেবল লাইভলিহুড ফ্ৰেমৱৰ্ক) |
| এছ পি পি (Spp) | স্পেছিছ |
| এছ টি (ST) | অনুসূচিত জনজাতি (ছিডিউল ট্ৰাইব) |
| এছ ডব্লিউ অ' টি (SWOT) | সক্ষমতা, দুৰ্বলতা, সুবিধা আৰু বিপদ (ষ্ট্ৰেংথ, উইক্‌নেছ, অপৰ্চুনিটী এণ্ড থ্ৰেট) |
| টি ভি (TV) | ট্যাংগা গাঁও (ট্যাংগা ভিলেজ) |
| টিভি (TV) | দূৰদৰ্শন (টেলিভিছন) |
| ডব্লিউ এল এছ (WLS) | বন্যপ্ৰাণী অভয়াৰণ্য (ৱাইল্ড লাইফ ছেংচুৰী) |
| ডব্লিউ পি এ (WPA) | বন্যপ্ৰাণী (সংৰক্ষণ) আইন, ১৯৭২ (ৱাইল্ডলাইফ (প্ৰটেকশন) এক্ট- ১৯৭২) |
| ডব্লিউ পি চি (WPC) | কৰ্ম পৰিকল্পনা চক্ৰ (ৱৰ্কিং প্লেন চাৰ্কোল) |

# যুটীয়া বন পৰিচালনা সমিতি

## (জীৱিকা উন্নয়ন পৰিকল্পনা আৰু বন উন্নয়ন পৰিকল্পনা)

<u>সূচীপত্ৰ</u>


| অধ্যায় | শিৰোনাম | পৃষ্ঠা নং |
| --- | --- | --- |
| ১ | ভূমিকা | ৫ |
| ২ | গাঁৱৰ আৰ্থ-সামাজিক ৰূপৰেখা | ৭ |
| ৩ | জীৱিকাৰ সুবিধা (সম্ভাৱনীয়তা) বিশ্লেষণ | ১৩ |
| ৪ | জীৱিকা উন্নয়ন পৰিকল্পনা | ১৯ |
| ৫ | বন উন্নয়ন পৰিকল্পনা | ২১ |
| ৬ | পৰিশিষ্টৰ (১)তালিকা। | ৩৮ |

## ১। ভূমিকা

| | |
|---|---|
| **প্ৰকল্পটোৰ সম্পৰ্কে** | অসম বন আৰু জৈৱ-বৈচিত্ৰ্য সংৰক্ষণ প্ৰকল্প (আছাম প্ৰজেক্ট অন্ ফৰেষ্ট এণ্ড বায়'ডাইভাৰ্ছিটী কনজাৰ্ভেচন)ৰ উদ্দেশ্য হৈছে— 'নিৰ্দিষ্ট এলেকাৰ বনাঞ্চলৰ ওপৰত নিৰ্ভৰশীল জনগোষ্ঠীসমূহৰ অংশগ্ৰহণেৰে বনজ আৰু বনজবহিৰ্ভূত সম্পদৰ বহনক্ষম ব্যৱহাৰৰ জৰিয়তে তেওঁলোকৰ জীৱিকা সুনিশ্চিত কৰিবলৈ বিশেষ গুৰুত্ব আৰোপ কৰাৰ লগতে বহুমুখী সুসংহত পৰিকল্পনাৰে অসমত স্থিতিশীল বন আৰু জৈৱ-বৈচিত্ৰ্যৰ সংৰক্ষণ আৰু পৰিচালনৰ ব্যৱস্থা কৰা।' প্ৰকল্পটোৰ লক্ষ্য হৈছে— 'বনাঞ্চলৰ ওপৰত নিৰ্ভৰশীল জনগোষ্ঠীসমূহৰ সহযোগত তেওঁলোকৰ জীৱিকা আৰু জৈৱ-বৈচিত্ৰ্যৰ সংৰক্ষণ আৰু স্থিতিশীল ব্যৱহাৰৰ জৰিয়তে বনাঞ্চল সংৰক্ষণ আৰু পৰিৱেশতন্ত্ৰক পুনৰুদ্ধাৰ কৰা।'<br>এই প্ৰকল্পটোলৈ মূলতঃ আৰ্থিক অনুদান আগবঢ়াইছে এজেন্সী ফ্ৰান্সিচ ডি ডেভেলপমেণ্ট (এ এফ ডি) অৰ্থাৎ ফ্ৰান্স ডেভেলপমেণ্ট এজেন্সীয়ে। সহযোগ কৰিছে অসম চৰকাৰে। প্ৰকল্পটোৰ পৰিকল্পনা, ৰূপায়ণ, নিৰীক্ষণ, সমন্বয় আৰু ব্যৱস্থাপনাকে ধৰি সকলো কামৰ দায়িত্বত আছে আছাম প্ৰজেক্ট অন ফৰেষ্ট এণ্ড বায়'ডাইভাৰ্ছিটী কনজাৰ্ভেচন ছ'চাইটীয়ে। |
| **ক্ষুদ্ৰ পৰিকল্পনা আৰু জীৱিকা উন্নয়ন** | বজাৰৰ সম্ভাৱনীয়তাভিত্তিক মূল্য সংযোজনৰ জৰিয়তে জীৱিকাৰ কাম-কাজ উন্নত কৰিবলৈ প্ৰকল্পটোত উদ্যোগমূলক বিকাশ, উৎপাদিত সামগ্ৰীৰ প্ৰক্ৰিয়াকৰণৰ জৰিয়তে মূল্য সংযোজন আৰু বিপণনৰ ওপৰত গুৰুত্ব দিয়া হৈছে। জনসংখ্যা বৃদ্ধিৰ লগে লগে বনজ সম্পদৰ ওপৰত বৃদ্ধি পোৱা হেঁচাৰ পৰিপ্ৰেক্ষিতত এনে পদক্ষেপ জৰুৰী হৈ পৰিছে। বজাৰ সম্ভাৱনীয়তাৰ প্ৰতি লক্ষ্য ৰাখি বৰ্তমানে উপলব্ধ বনজ আৰু জৈৱ-বৈচিত্ৰ্য সামগ্ৰী আৰু সেৱাসমূহত মূল্য সংযোজনৰ উপায় উদ্ভাৱন কৰাটো প্ৰয়োজনীয় হৈ পৰিছে। তদুপৰি, বনাঞ্চলভিত্তিক জীৱিকাৰ বাহিৰে জীৱিকাৰ অন্য পথ বিচাৰি উলিওৱা আৰু দক্ষতা বিকাশ পদক্ষেপৰ জৰিয়তে সম্প্ৰদায়ৰ সদস্যসকলৰ দক্ষতা বৃদ্ধি কৰাও দৰকাৰ।<br>প্ৰকল্পটোৰ অধীনত ক্ষুদ্ৰ পৰিকল্পনা আৰু জীৱিকা উন্নয়নৰ কাৰ্যসূচী ৰূপায়ণৰ বাবে ইণ্ডিয়ান ইনষ্টিটিউট অৱ এণ্টৰপ্ৰিন'ৰশ্বিপ (আই আই ই), গুৱাহাটী আৰু ৰাষ্ট্ৰীয় গ্ৰামীণ বিকাশ নিধি (আৰ জি ভি এন) আৰু 'চেণ্টাৰ ফৰ মাইক্ৰ' ফাইনেন্স এণ্ড লাইভলিহুড' (চি এম এল)ক লৈ এখন সমিতি গঠন কৰা হৈছে। এই সমিতিখনৰ নাম দিয়া হৈছে— ক্ষুদ্ৰ পৰিকল্পনা আৰু জীৱিকাৰ সুযোগ বৃদ্ধিৰ বাবে গঠিত মহাজোঁট (কনছাল্টিং ছাৰ্ভিচ ফৰ মাইক্ৰ'প্লেনিং এনহেন্সিং লাইভলিহুড অপৰ্চুনিটিজ)' চমুকৈ কম্পেল'।<br>প্ৰকল্পটোৰ নিৰ্দেশনা মতে এই ক্ষুদ্ৰ পৰিকল্পনাত অন্তৰ্ভুক্ত হৈ আছে 'গাঁও আৰু বন বিভাগৰ বিভিন্ন অভিযান। বনাঞ্চলৰ ওপৰত নিৰ্ভৰশীল সদস্যক জীৱিকাৰ ক্ষেত্ৰত সহায় কৰা আৰু স্থিতিশীল বন ব্যৱস্থাপনাক এক প্ৰসাৰিত লক্ষ্য হিচাপে গণ্য কৰা।' বন উন্নয়ন আৰু জীৱিকা উন্নয়ন উভয় লক্ষ্যকে এই প্ৰকল্পত সামৰি লোৱা হৈছে। |
| **নাবডি লাংটিং জে এফ এম চিৰ বাবে ক্ষুদ্ৰ পৰিকল্পনা** | অসমৰ ডিমা হাচাও জিলাৰ নাবডি লাংটিং জে এফ এম চিৰ ক্ষুদ্ৰ পৰিকল্পনাৰ জৰিয়তে গাঁওবাসীৰ প্ৰয়োজনীয়তাৰ বিস্তৃত বিশ্লেষণ এই নথিত সন্নিৱিষ্ট হৈছে। এই জে এফ এম চি খন ডি এইচ এ ডি বন সংমণ্ডলৰ সামাজিক বনানিকৰণ বিভাগৰ অন্তৰ্গত। পৰৱৰ্তী অধ্যায়ত সম্প্ৰদায়সমূহৰ বিষয়ে বিশদ বৰ্ণনা দিয়া হৈছে। |

| | |
|---|---|
| | এই ক্ষুদ্র পৰিকল্পনা গাঁওখনত বাস কৰা সম্প্ৰদায়সমূহৰ পুৰুষ আৰু মহিলাসকলৰ দ্বাৰা প্ৰস্তুত কৰা হৈছে। ২০১৬ চনৰ জুন মাহত ইণ্ডিয়ান ইনষ্টিটিউট অব্ এণ্ট্ৰ'প্ৰিনিঅ'ৰশ্বিপ, গুৱাহাটীৰ বিষয়ববীয়া আৰু সম্প্ৰদায়টোৱে গ্ৰহণ কৰা অংশগ্ৰহণমূলক গ্ৰাম্য পৰিমাপ (পি আৰ এ)ৰ জৰিয়তে এই নথি প্ৰস্তুত কৰা হৈছে। প্ৰকল্প নিৰ্দেশনা অনুসৰি আই আই ই-এ এই ক্ষুদ্ৰ পৰিকল্পনা সংযোজিত কৰিছে। ২০১৬ চনৰ জুলাইত এই নথি গ্ৰহণ কৰাৰ বাবে আলোচনাত চূড়ান্ত কৰা হয়। |

<table>
<tr><th colspan="2">২। গাঁওখনৰ আৰ্থ-সামাজিক ৰূপৰেখা</th></tr>
<tr><td>অৱস্থিতি</td><td>নাবডি লাংটিং যুটীয়া বন পৰিচালনা সমিতি গঠন কৰা হৈছে মাইবং বন সংমণ্ডলৰ জনগোষ্ঠীয় গাঁওসমূহ সামৰি। এই আবাসস্থল অসম নাগালেণ্ড সীমান্তত অৱস্থিত।</td></tr>
<tr><td>মূল তথ্য</td><td>
পৰিশিষ্ট ১ত গাঁৱৰ মানচিত্ৰ দিয়া হৈছে।<br>
এই জে এফ এম চিৰ মূল তথ্যসমূহ তলত দিয়া হ'ল।<br>
তালিকা-ক ঃ জে এফ এম চিৰ মূল তথ্যসমূহ।
<table>
<tr><td>জে এফ এম চিৰ নাম</td><td>নাবডি লাংটিং</td></tr>
<tr><td>বাসস্থান</td><td>নাবডি লাংটিং</td></tr>
<tr><td>ৰাজহ চক্ৰৰ নাম</td><td>দিয়াং উপত্যকা উন্নয়ন চক্ৰ</td></tr>
<tr><td>জিলা</td><td>ডিমা হাচাও</td></tr>
<tr><td>বন সংমণ্ডল</td><td>ডিমা হাচাও বন সংমণ্ডল (পূব), হাফলং</td></tr>
<tr><td>বন আঞ্চলিক</td><td>মাইবং</td></tr>
<tr><td>বন লাট</td><td>মাইবং</td></tr>
<tr><td>গঠনৰ বৰ্ষ</td><td>২০১৫-২০১৬</td></tr>
<tr><td>জে এফ এম চিৰ চাৰিসীমাৰ বৰ্ণনা</td><td>তলত উল্লেখ কৰা ধৰণে ঃ<br>পূব ঃ নাৰলিদিছা<br>পশ্চিম ঃ সংৰক্ষিত বনাঞ্চল<br>দক্ষিণ ঃ নাবডি লাংটিং<br>উত্তৰ ঃ ড্ৰাংড্ৰা গাঁও।</td></tr>
</table>
উৎস ঃ জে এফ এম চি তথ্য আৰু ২০১৬ৰ জুনত হোৱা পি আৰ এ অনুশীলনৰ আলোচনা।<br>
অতিৰিক্ত তথ্য ৰেকৰ্ড ১ (পৰিশিষ্ট)ৰ তালিকা ১ত দিয়া হৈছে
</td></tr>
</table>

**কাৰ্যকৰী আৰু সাধাৰণ সমিতিৰ সংক্ষিপ্ত বিৰৰণ**

জে এফ এম চিৰ যুটীয়া বন পৰিচালনা সমিতিৰ কাৰ্যকৰী আৰু সাধাৰণ সমিতিৰ সংক্ষিপ্ত বিৰৰণ তলৰ তালিকাত দিয়া হ'ল।

**তালিকা-খ ঃ কাৰ্যকৰী আৰু সাধাৰণ সমিতিৰ সংক্ষিপ্ত বিৰৰণ**

| | |
|---|---|
| সভাপতিৰ নাম | নিদেশ দিৰ্বাগ্ৰাদা |
| সদস্য সচিবৰ নাম | দেপোলাল লাংঠাছা |
| কোষাধক্ষ্যৰ নাম | নাই |
| কাৰ্যকৰী সমিতিৰ সদস্য সংখ্যা | পুৰুষঃ ১৭, মহিলাঃ ৩ |
| সাধাৰণ সমিতিৰ সদস্য সংখ্যা | পৰিয়ালসমূহৰ মূৰব্বীসকল |

**উৎস** ঃ জে এফ এম চি তথ্য

**পৰিয়াল আৰু জনসংখ্যা গাঁথনি**

গাঁওখনত ১৮৩ টা পৰিয়াল আছে। মহিলা মূৰব্বী থকা পৰিয়াল নাই। মুঠ জনসংখ্যা ৯৪৮। ইয়াৰে ৪৫৮ গৰাকী পুৰুষ আৰু ৪৯০ গৰাকী মহিলা। সকলো পৰিয়ালেই অনুসূচিত জনজাতি (পাৰ্বত্য)ৰ অন্তৰ্গত, যিসকল মূলত ডিমাচা জনগোষ্ঠীৰ।

**তালিকা-৩,** বয়স আৰু লিংগ অনুপাত

| বয়স/লিংগ | ১৪ বছৰৰ অনুৰ্ধ | ১৫-৩০ বছৰ বয়সৰ | ৩১-৪৫ বছৰ বয়সৰ | ৪৬-৬০ বছৰ বয়সৰ | ৬০ ৰ উৰ্ধৰ |
|---|---|---|---|---|---|
| পুৰুষ | ১৩৬ | ৭৮ | ১১২ | ৯৮ | ৩৪ |
| মহিলা | ১৪৯ | ৪৭ | ১০৩ | ৮৬ | ৬৫ |

উৎস ঃ পি আৰ এ

ওপৰোক্ত তথ্যৰ বিৰৰণৰ বাবে তথ্য ১ ৰ তালিকা- ২ চাব পাৰে।

ইয়াৰ পৰা জনা যায় যে ঃ

১) প্ৰতিটো পৰিয়ালৰ গড় সদস্য সংখ্যা হৈছে ৫.১গৰাকী।

২) গাঁওখনৰ লিংগ অনুপাত হৈছে প্ৰতি ১০০০জন পুৰুষৰ বিপৰীতে ১০৭০গৰাকী মহিলা।

**শিক্ষা আৰু দক্ষতা বিকাশ**

নাবডি লাংটিং গাঁৰৰ ৩৮.০৮ শতাংশতকৈ অধিক লোক শিক্ষিত বুলি চিহ্নিত। গাঁওখনৰ অধিকাংশ লোকেই বিদ্যালয় পৰ্যায়ৰ শিক্ষা লাভ কৰিছে। আনহাতে কিছু সংখ্যকেহে মহাবিদ্যালয় পৰ্যায়ৰ শিক্ষা লাভ কৰিছে।

**তালিকা-৪,** শিক্ষাগত বিৰৰণ

| | শিক্ষিত | ৪ৰ্থ শ্ৰেণীলৈ | ৫ম-১০ম | উঃমাঃ | স্নাতক |
|---|---|---|---|---|---|
| পুৰুষ | ১৮৬ | ১৪৩ | ১২৫ | ৩ | - |
| মহিলা | ১৭৫ | ২০৩ | ১০৭ | ৫ | - |

| | |
|---|---|
| | আনুষ্ঠানিক আৰু অনানুষ্ঠানিক— দুই ধৰণৰ জীৱিকা উন্নয়ন কাৰ্যসূচী গাঁওবাসীয়ে লাভ কৰিছে। এই যুতীয়া বন পৰিচালনা সমিতিত অনানুষ্ঠানিক দক্ষতা উন্নয়নৰ অৰ্থ হৈছে পৰম্পৰাগতভাৱে গ্ৰহণ কৰা দক্ষতা। তলত উল্লেখ কৰা ক্ষেত্ৰসমূহত পৰম্পৰাগত দক্ষতা আছে—<br>ক) হস্ততাঁত<br>খ) বয়ন<br>গ) পশুধন<br>ঘ) কৃষি কাৰ্য<br>সমগ্ৰ দেশৰ লগতে ৰাজ্যখনতো আনুষ্ঠানিক দক্ষতা উন্নয়ন কাৰ্যসূচী প্ৰসাৰৰ বাবে চৰকাৰে সক্ৰিয় ভূমিকা পালন কৰি আহিছে কিন্তু এনে কোনো কাৰ্যসূচীৰ পৰা এতিয়ালৈকে গাঁওবাসী উপকৃত হোৱা নাই। কিয়নো গাঁওখন অথবা ইয়াৰ পাৰ্শ্বৱৰ্তী অঞ্চলসমূহত তেনে কোনো আঁচনি ৰূপায়ণ কৰা হোৱা নাই। |
| **ভূমি** | প্ৰকল্প গ্ৰহণ কৰা অঞ্চলৰ ভূমিৰ প্ৰকাৰসমূহ ঃ<br>পলসুৱা, বোকাজাতীয় মাটি আৰু ভৈয়াম অঞ্চলৰ সাৰুৱা মাটি। এই মাটিয়ে বিভিন্ন শস্যৰ বাবে উপযোগী, কাৰণ এই মাটি অতি সাৰুৱা। |
| **পানী** | |
| **জলবায়ু ঃ<br>উষ্ণতা আৰু বৰষুণ** | গ্ৰীষ্মকালত অঞ্চলটোৰ সৰ্বোচ্চ তাপমাত্ৰা হয় ৩৮ ডিগ্ৰী চেলচিয়াছ আৰু শীতকালত সৰ্বনিম্ন তাপমাত্ৰা হৈছে ৮-৯ ডিগ্ৰী চেলচিয়াছ।<br>বাৰ্ষিক বৰষুণৰ পৰিমাণ হৈছে ৩০০০ মিলিমিটাৰ। বাৰিষাৰ সময়ছোৱাত (জুন-ছেপ্টেম্বৰ) সাধাৰণতে দুই তৃতীয়াংশ বৃষ্টিপাত হয়। বাৰিষা গাঁওখনৰ আদ্ৰতা নৱৈ শতাংশৰো অধিক। শীতকালত আদ্ৰতা ত্ৰিশ শতাংশৰো কম। |
| **বন আৰু জৈৱ বৈচিত্ৰময়** | ক) বনাঞ্চল প্ৰকাৰ ঃ এই বনাঞ্চলসমূহ উপক্ৰান্তীয় বনাঞ্চলৰ অন্তৰ্ভূক্ত। কাৰ্বি আংলং আৰু উত্তৰ কাচাৰ পাৰ্বত্য অঞ্চলত অৱস্থিত উপক্ৰন্তিয় পাহাৰীয়া বনাঞ্চলৰ আৰু উপক্ৰান্তীয় পাইন বনাঞ্চল। এই অঞ্চলত উৎপন্ন প্ৰজাতিসমূহ হ'ল- এলছেদাফনে পেট'লাৰিছ (বন-হাৱাঁলু), এণ্টিদেছমা বনিআছ, বেটুলা এলন'ইডছ, ক্লেইদ'ন স্পেছিফ্লি'ৰাম ইত্যাদি। উচ্চ প্ৰজাতিৰ পিনাছ কেছিয়া (খাছী পাইন)ও ইয়াত উপলব্ধ।<br>বনাঞ্চলসমূহত এন টি এফ পিৰ পৰ্যাপ্ততা যেনে ঃ পাচলি, গুল্মজাতীয় উদ্ভিদ, বনৌষধি, বাঁহ, বেট, পশুখাদ্য, ঝাডু আদি আছে।<br>অতিৰিক্ত তথ্য বন উন্নয়ন পৰিকল্পনাত সন্নিবিষ্ট। |
| **ভূমি ব্যৱহাৰৰ ধৰণ** | পৰিশিষ্ট ২ত এই গাঁৱৰ ভূমি ব্যৱহাৰৰ ধৰণৰ বৰ্ণনা আছে।<br>এই গাঁৱৰ ভূমিৰ ব্যৱহাৰ এনে ধৰণৰ ঃ<br>কৃষিৰ বাবে উপযোগী পথাৰ ঃ ১৯.৮২ শতাংশ<br>কাঠধৰিৰ ৰোপণ ঃ ২৩.৮৯ শতাংশ<br>জলসিঞ্চনৰ নলা ঃ ০.৫১ শতাংশ |

| | |
|---|---|
| | ঝুম খেতি ঃ ৪৩.৯২ শতাংশ<br>পথ ঃ ০.৫৪ শতাংশ<br>গছেৰে আৱৰা বসতি ঃ ৮.৬৫ শতাংশ<br>নৈ-জুৰি ঃ ২.৭০ শতাংশ |
| **ভূমি ধাৰণ** | প্ৰতিটো পৰিয়ালৰ ভূমি ধাৰণৰ ধৰণ **তথ্য-(I)**ৰ **তালিকা-৩**ত উল্লেখ কৰা হৈছে। এই তালিকাৰ পৰা তলৰ তথ্যসমূহ পোৱা যায় ঃ |

| ভূমি ধাৰণৰ প্ৰকাৰ | **তালিকা ঃ মুঠ ভূমি ধাৰণ** | | | | সৰ্বমুঠ |
|---|---|---|---|---|---|
| | বৃহৎ কৃষক >১০ হেঃ | ক্ষুদ্ৰ কৃষক ২-১০ হেঃ | মধ্যমীয়া কৃষক<২হেঃ | ভূমিহীন | |
| পৰিয়ালৰ সংখ্যা | ৩৩ | ১০০ | ৪০ | ১০ | ১৮৩ |

**পশুধন**

এই গাঁওখনৰ মুঠ পশুধনৰ সংখ্যা ১২৫৯টা। পৰিয়ালসমূহে প্ৰতিপালন কৰা পশুধনৰ প্ৰকাৰ হৈছে এনেধৰণৰ ঃ

**তালিকা চ ঃ জে এফ এম চিত পশুধন**

| পশুধনৰ প্ৰকাৰ | গৰু | ম'হ | ছাগলী | কুকুৰা | গাহৰি |
|---|---|---|---|---|---|
| সংখ্যা | ২৩ | ৩৪৩ | ২১১ | ৮৫০ | ৬২ |

উৎস ঃ মে' ২০১৬ ত কৰা পৰিয়ালসমূহৰ সমীক্ষা উপৰোক্ত বি য়ৰ বিস্তৃত বৰ্ণনাৰ বাবে **তথ্য-(I)**ৰ **তালিকা-৪**ত দাঙি ধৰা হৈছে।

**গাঁৱৰ আন্তঃগাঁথনি আৰু যোগাযোগ ব্যৱস্থা**

যিকোনো জনগোষ্ঠীতে সাধাৰণ আন্তঃগাঁথনিৰ উপলব্ধতাই জীৱিকাৰ নিৰ্বাহক্ষম উপায় উন্নয়নত সহায় কৰে। গাঁওখনত বৰ্তমানৰ আন্তঃগাঁথনিৰ অৱস্থা সন্তোষজনক নহয়। **তথ্য-(I)**ৰ **তালিকা-৫**ত গাঁৱৰ আন্তঃগাঁথনিৰ বৰ্তমান অৱস্থা দাঙি ধৰা হৈছে।

উক্ত তালিকাত গাঁওখনৰ বৰ্তমান আন্তঃগাঁঠনি সন্দৰ্ভত তলৰ তথ্যসমূহ লাভ কৰিব।

**বাস্তৱিক আন্তঃগাঁথনি ঃ** অঞ্চলটোৰ বাসিন্দাসকলে মূল বাস্তৱিক আন্তঃগাঁথনিৰ পৰা বঞ্চিত হৈ আহিছে। যেনে ঃ ভাল ৰাস্তা, বিদ্যুৎ, পানী যোগান, ম'বাইল নেটৱৰ্ক আদি উপলব্ধ নহয়।

**শিক্ষা আৰু স্বাস্থ্য সেৱা ঃ** অঞ্চলটোৰ শিক্ষা আৰু স্বাস্থ্য সেৱাৰ ব্যৱস্থা সন্তোষজনক নহয়। ইয়াত শিক্ষা আৰু স্বাস্থ্যৰসুবিধা অতি কম। ৰাজহুৱা পৰিবহন ব্যৱস্থা নাই। গ্ৰামাঞ্চলৰ ৰাইজে আহ-যাহৰ বাবে চাইকেল ব্যৱহাৰ কৰে।

**চৰকাৰী কাৰ্যালয় ঃ** চৰকাৰী কাৰ্যালয় (যেনেঃ আৰক্ষী চকী, গাঁও পঞ্চায়ত কাৰ্যালয়, চক্ৰ বিষয়াৰ কাৰ্যালয়, বনাঞ্চলিক কাৰ্যালয় আদি) গাঁওখনৰ পৰা যথেষ্ট দূৰৈত অৱস্থিত, যিটো অত্যন্ত প্ৰসাৰিত ব্যৱস্থা কাৰণ গাঁওবাসীয়ে তালৈ যাবলৈ গাঁৰৰ পৰা বা ওচৰৰ অঞ্চলৰ পৰা কোনো ৰাজহুৱা পৰিবহন ব্যৱস্থা নাই।

**বিত্তীয় প্ৰতিষ্ঠান ঃ** গাঁওখনৰ বিত্তীয় প্ৰতিষ্ঠান যেনে— বেংক, ডাকঘৰ আদি গাঁৰৰ পৰা নিলগত হোৱা বাবে গাঁওবাসীয়ে একাউণ্ট খুলিবলৈ বহুদূৰ যাবলগীয়া হয়।

**কৃষি শস্য**

এই গাঁৰৰ উৎপাদিত কৃষি শস্যৰ বিৰৰণ **তথ্য-(I)ৰ তালিকা-৬ত** দিয়া হৈছে।

উক্ত তালিকা মতে নিম্নোক্ত তথ্যসমূহ পোৱা যায়—

ক) ৰবি শস্য ঃ অক্টোবৰৰ পৰা জানুৱাৰী পৰ্যন্ত এই খেতি হয়। মূলা, বন্ধাকবি, ফুলকবি, জলকীয়া, পানীলাও, লেচেৰা, বেঙেনা আদি পাচলি হয়।

খ) খাৰিফ শস্য ঃ মে', জুন, জুলাই মাহত এই শস্য হয়। ধান, ৰঙা লাউ আদি খেতি হয়।

গ) বাৰীতে কৰা খেতি ঃ ঘৰৰ চৌহদ তথা বাৰীতে এই খেতি হয়। বাৰিষা, খৰালি দুয়োটা সময়তে এই কৃষি হয়। সকলো ঘৰতে তামোল, বাঁহ, কল আম, কঠাল, নাৰিকল আদি গছ আছে। কিছু ঘৰত লিচু, আনাৰস, পাণ আদিও দেখা যায়।

গাঁওৰ কৃষিজাত শস্যৰ উৎপাদন বিৰৰণ **তথ্য-(I)ৰ তালিকা-৭ত** আছে।

**শস্য উৎপাদন ৰূপৰেখা**

পৰিয়ালসমূহৰ অধিকাংশই ধান আৰু সৰিয়হৰ খেতিত জড়িত।

মূল উৎপাদন আৰু ফচলৰ তালিকা—

ক) ধান— উৎপাদন ঃ ১০০০কুইণ্টল ফচল ২১কুইণ্টল/হেক্টৰ।

খ) সৰিয়হ— উৎপাদন ঃ ৬ কুইণ্টল ফচল ১.৫কুইণ্টল/হেক্টৰ।

তালিকা ছ ঃ ঋতুমতে কৃষিৰ ধৰণ

| **কৃষিজাত শস্য** | **শস্য সিচা সময়** | **শস্য তোলা সময়** | |
|---|---|---|---|
| তিল | জুন-জুলাই | ছেপ্টে-অক্টো | নৱে-ডিচে |
| ঝাডু | ডিচে-জানু | জানু-ফেব্ৰু | এপ্ৰিল-মে' |
| আদা | নৱে-ডিচে | ফেব্ৰু-মাৰ্চ | এপ্ৰিল-মে' |
| ধান | মে'-জুন | ছেপ্টে-অক্টো | নৱে-ডিচে |
| উদ্যান শস্য | গোটেই বছৰ জুৰি | | |
| ধান চাউল | গোটেই বছৰ জুৰি | | |

■ জীৱিকাৰ উন্নয়নৰ বাবে ই পি এৰ ফাণ্ডাৰ পৰা দুই লাখ টকা মূলধনৰ যো-জা কৰা আৱশ্যক।

জে এফ এম চিৰ ভিতৰতে এই কাৰ্যালয় তথা গাঁৰৰ কৰ্মস্থলী বাঞ্ছনীয়।

| | |
|---|---|
| **পশুখাদ্যৰ পৰ্যাপ্ততা** | **তথ্য-(I)**ৰ **তালিকা-৮**ত গাঁওখনত প্ৰাপ্ত পশুখাদ্যৰ বিতং পোৱা যাব। এই তালিকাত পোৱা মতে গাঁৱৰ পশুখাদ্যৰ মূল উৎসসমূহ হ'ল—<br>ক) শস্যৰ অৱশিষ্ট। খ) বন-জংঘল<br>গ) ঘৰুৱা পেলনীয়া বস্তু ঘ) সেউজীয়া ঘাঁহ-বন/শাক-পাচলি |
| **বজাৰ** | এই গাঁৱৰ বিভিন্ন বজাৰৰ অৱস্থানসমূহ **তথ্য-(I)**ৰ **তালিকা-৯**ত উল্লেখ কৰা হৈছে। গাঁওবাসীয়ে ব্যৱহাৰ কৰা বজাৰসমূহ হৈছে ঃ<br>ক) গেলামাল/সুলভ মূল্যৰ দোকান ঃ জে এফ এম চিৰ ভিতৰত<br>খ) সাপ্তাহিক/অৰ্ধ-সাপ্তাহিক বজাৰ ঃ ৩ কিলোমিটাৰ দূৰৰ হাজাদিছা।<br>গ) প্ৰধান বজাৰ ঃ ৩৯ কিলোমিটাৰ দূৰত মাইবং। |
| **জল সম্পদ** | **তথ্য-(I)**ৰ **তালিকা-১০**ত জল সম্পদসমূহৰ বিষয়ে সন্নিৱিষ্ট কৰা হৈছে। পানী উপলব্ধ হোৱা প্ৰধান জল সম্পদসমূহ এনেধৰণৰ ঃ<br>ক) নদী ঃ (পানীৰ পৰ্যাপ্ততা ঃ ঋতু অনুযায়ী)<br>খ) জান-জুৰি ঃ (পানীৰ পৰ্যাপ্ততা ঃ ঋতু অনুযায়ী) |
| **শক্তিৰ ব্যৱহাৰ** | গাঁৱৰ শক্তিৰ মূল উৎসসমূহ **তথ্য-(I)**ৰ **তালিকা-১১**ত উল্লেখ কৰা হৈছে। সেইবোৰ তলত উল্লেখ কৰা হ'ল—<br>ক) **কাঠখৰি** ঃ নিৰ্ভৰশীল পৰিয়াল ঃ ১৮৩টা, উৎস ঃ অৰণ্য |
| **আৰ্থ-সামাজিক স্থিতি** | **সামাজিক গাঁথনি ঃ** গাঁওখনত জনজাতীয় লোকসকল বাস কৰে। তেওঁলোকৰ কোনো জাতিগত শ্ৰেণীবিভাজন নাই। এই সমাজখন কোনো সামাজিক ভেদাভেদেৰে বিভাজিত নহয়। মহিলাৰ স্থান সন্তোষজনক।<br>**অৰ্থনৈতিক অৱস্থা ঃ** গাঁওখনৰ বাসিন্দাসকলৰ অৰ্থনৈতিক স্থিতি সন্তোষজনক নহয়। মূল জীৱিকাৰ পথ হৈছে কৃষিকৰ্ম, দিন হাজিৰা আৰু বয়ন শিল্প। অধিকাংশ পৰিয়ালৰ বাৰ্ষিক আয় ১০,০০০-২২,০০০ টকা। জীৱিকাৰ সন্ধানত যুৱক বা অন্যলোকেও গাঁও এৰি গুচি গৈছে। অন্যান্য বিৱৰণ পিছৰ অধ্যায়ত বৰ্ণনা কৰা হৈছে। |
| **মানচিত্ৰ** | পি আৰ এ অনুশীলনৰ ভিত্তিত প্ৰস্তুত কৰা তলৰ মানচিত্ৰসমূহ পৰিশিষ্ট-**১**ত সন্নিৱিষ্ট কৰা হৈছে।<br>* গাঁৱৰ মানচিত্ৰ।<br>* গাঁৱৰ সামাজিক মানচিত্ৰ (পি আৰ এ অনুশীলনৰ সদস্যৰ নাম আৰু অন্য তথ্য)।<br>* গাঁৱৰ সম্পদ মানচিত্ৰ। |

## ৩। পি আৰ এ অনুশীলনৰ মাধ্যমেৰে অগ্ৰাধিকাৰ

| | |
|---|---|
| **পি আৰ এ অনুশীলন** | আই আই ই গুৱাহাটীৰ পৰা এটা দলে নাবদি লাংটি গাঁৱত পি আৰ এ অনুশীলন চলায়—<br>**তাৰিখ ঃ** ৩ জুন, ২০১৬।<br>**স্থান ঃ** নাবদি লাংটিং গঁৱৰ পথাৰ।<br>**উপস্থিতিৰ সংখ্যা ঃ** ৬০ জন। |
| **পি আৰ এৰ উদ্দেশ্য** | ইয়াৰ উদ্দেশ্য আছিল বৰ্তমানৰ পৰিয়ালসমূহৰ অৱস্থা অধ্যয়ন আৰু গাঁওবাসীৰ জীৱিকা উন্নয়নৰ পদক্ষেপ আৰু বনোন্নয়ন পৰিকল্পনাৰ বাবে প্ৰাথমিক তথ্য সংগ্ৰহ। |
| **পি আৰ এত ব্যৱহৃত সা-সৰঞ্জাম আৰু জ্ঞাত তথ্য** | বিভিন্ন সা-সৰঞ্জাম ব্যৱহাৰ কৰা হয় আৰু তাৰ কিছু তথ্য লাভ কৰা হয়। এইসমূহ হ'ল ঃ<br>সামাজিক মানচিত্ৰায়ন<br>সম্পদ স্থানাংক<br>জীৱিকাৰ ঋতু সম্বন্ধ<br>ভেন ডায়েগ্ৰাম<br>**পৰিশিষ্ট-৩** বিতং তথ্য প্ৰদান কৰা হৈছে । |

### জে এফ এম চিৰ জীৱিকাৰ মূল্যায়ন

**মানৱ সম্পদ**

**১.১. দক্ষতা ৰূপৰেখা**

এই প্ৰকল্প এলেকাত মনৱ সমপদৰ ক্ষেত্ৰত গাঁৱবাসী পৰম্পৰাগতভাৱে কৃষিকৰ্মত দক্ষ। সকলো পৰিয়লেই কৃষিৰ লগত জড়িত। তেওঁলোকে নিজৰ পৰিয়ালৰ ভৰণ-পোষণৰ বাবে উপযুক্ত খাদ্য শস্য উৎপাদন কৰে। সেয়ে ইয়াৰ উৎপাদিত শস্য স্থানীয় প্ৰয়োজনীয়তা পূৰণৰ বাবেহে পৰ্যাপ্ত। বিক্ৰীৰ বাবে নহয়।

সমীক্ষাত পোৱা মতে এই অঞ্চলত বয়নশিল্প, হস্ততাঁত, বাঁহ-বেতৰ উদ্যোগৰ বিশেষ সম্ভাৱনা আছে।

**১.২. বৃত্তিগত ৰূপৰেখা**

এই প্ৰকল্প ক্ষেত্ৰত বেছিভাগ পৰিয়ালৰ ২ৰ পৰা ১০ হেক্টৰ মাটি আছে। দেখা গৈছে বেছি মাটি থকা মানেই বেছি আয় নহয়। অধিক কৃষিভূমি থাকিলেও সেই ভূমিৰ পা কৃষিভিত্তক আয় লক্ষ্য কৰা নাযায়।

এইটোৰ পৰা বুজা যায় যে বাঁহ-বেঁত শিল্প,দৰ্জি, বা অন্য অ-কৃষিভিত্তিক কামেৰে জীৱন নিৰ্বাহৰ বাবে মানুহৰ প্ৰয়োজনীয়তা বাঢ়িছে।

১.৩. শিক্ষাৰ মাপ

বহনক্ষম জীৱিকা হ'ল জীৱনধাৰণ আৰামদায়ক তথা উন্নত কৰাৰ বাবে মানুহক সমৰ্থ কৰা উপায় আৰু ইয়াত শিক্ষাই এক বিশেষ ভূমিকা পালন কৰে। দৰিদ্ৰতা নিৰ্মূল তথা সামাজিক সৱলীকৰণৰ বাবে সকলো মানুহৰ বাবে শিক্ষাৰ সুবিধা নিশ্চিত কৰা প্ৰয়োজনীয়।

এই প্ৰকল্প ক্ষেত্ৰত দেখা গৈছে উচ্চ শিক্ষাৰ কোনো ব্যৱস্থা নাই। ইয়াত আনুষ্ঠানিক আৰু অনানুষ্ঠানিক শিক্ষাৰ প্ৰয়োজন আছে।

১.৪. তথ্যৰ উৎস

এখন সফল সমজৰ বাবে তথ্যৰ উৎস হ'ল এক প্ৰধান কাৰক। সম্ভৱতঃ এই ঠাইখিনি পিছপৰি থকাৰ কাৰণ হ'ল তথ্য আহৰণৰ প্ৰকৰণৰ অভাৱ। ৰেডিঅ'ৰ বাহে ইয়াত অন্যকোনো মাধ্যম নাই। বন বিভাগৰ কাৰ্যালয়েও তথ্য যোগানৰ ক্ষেত্ৰত গুৰুত্ব নিদিয়ে।

১.৫. সংস্কৃতি আৰু পৰম্পৰা

এটা জাতি বা অঞ্চলৰ সভ্যতাৰ পৰিচয় দাঙি ধৰে তাৰ সংস্কৃতি পৰম্পৰা। এই অঞ্চলৰ মানুহ অতি সংস্কৃত, সুসভ্য আৰু তেওঁলোকৰ জীৱনৰ পৰম্পৰাই অঞ্চলটোত পৰ্যটনৰ প্ৰচুৰ সম্ভাৱনা মুকলি কৰিছে।

১.৬. দৈনন্দিন জীৱনত লিংগভিত্তিক অংশগ্ৰহণ

ইয়াত পুৰুষখিনি কৃষিকাৰ্যত আৰু মহিলাসকল ৰন্ধন, পশুপালন, সন্তান পালন আদিত জড়িত।

১.৭. প্ৰব্ৰজন

মানৱ সম্পদ মূল্যায়নত প্ৰব্ৰজনৰ ভূমিকা লক্ষ্যণীয়। এই অঞ্চলত প্ৰব্ৰজনৰ কোনো চকুত পৰা তথ্য নাই। যিহেতু ইয়াত উচ্চ শিক্ষিত লোক নাই জীৱিকাৰ সন্ধানত গাঁও এৰি বাহিৰলৈ যোৱাৰ প্ৰৱণতা কম।

## ২। সামাজিক মূলধন

দলীয় ভিন্নতা, উদ্যোগিক ফাৰ্মৰ বৃদ্ধি, উচ্চ পৰ্যায়ৰ পৰিচালনাৰ প্ৰদৰ্শন, যোগান-শৃংখলৰ শ্ৰীবৃদ্ধি। গাঁওবাসীৰ বিৱৰ্তন আদি বুজিবলৈ সামাজিক মূলধনৰ বিষয়টো ব্যৱহাৰ হয়।

এই প্ৰকল্প স্থানত সীমিত সংখ্যক আত্মসহায়ক গোট আছে। এই ক্ষেত্ৰত জীৱিকাৰ সুবিধাসমূহ উন্নয়নৰ বাবে আত্মসহায়ক গোট শক্তিশালী কৰাৰ লগতে গ্ৰাম্য সঞ্চয় সমিতি আদি গঢ়াত গুৰত্ব দিব লাগিব।

দেখা গৈছে, চৰকাৰী আঁচনিসূহ জনগণৰ ওচৰলৈ নিয়াত সফল হোৱা নাই। এই অঞ্চলত ৰাজহুৱা আঁচনিসমূহ পাবলৈ এতিয়াও বাকী।

## ৩। প্ৰাকৃতিক মূলধন

এই অঞ্চলটো ইয়াৰ জৈৱ বৈচিত্ৰৰ বাবে জনাজাত। মূল প্ৰাকৃতিক সম্পদসমূহ হ'ল— গছ, যেনে— হালদু, গমাৰি, তিতাচপা, নাহৰ, বনচোম, বগীপমা, বলা ইত্যাদি। এই গছ আৰু ইয়াৰ পৰা উৎপাদিত সামগ্ৰী উচ্চ মূল্য, খৰিৰ বাবে বছ, ঝুম খেতি কাঠ সংগ্ৰহ (স্থানীয় ব্যৱহাৰ বা চহৰত বিক্ৰীৰ বাবে) আদিয়ে ক্ৰমশঃ বন ধ্বংসৰ কাৰণ আৰু ই প্ৰত্যক্ষভাৱে গ্ৰাম্য জীৱিকাৰ সৈতে জড়িত।

এই অঞ্চলত প্ৰাকৃতিক সম্পদৰ ওপৰত মানুহৰ অতি নিৰ্ভৰশীলতাৰ বাবে এই জনসাধাৰণৰ প্ৰাকৃতিক সম্পদ ব্যৱহাৰৰ পৰা পৃথকে ৰখা অসম্ভৱ। গতিকে বিকল্প ব্যৱস্থা যেনে— ৰন্ধনৰ বাবে এল পি জিৰ ব্যৱস্থাই বনাঞ্চলৰ ওপৰত নিৰ্ভৰশীলতা হ্ৰাস কৰিব। প্ৰাকৃতিক সম্পদৰ সংৰক্ষণৰ বাবে জীৱিকাৰ অন্যান্য বিকল্প ব্যৱস্থা গঢ় দিব পাৰে।

## ৪। অৰ্থনৈতিক আৰু বিত্তীয় মূলধন

অৰ্থনৈতিক আৰু বিত্তীয় মূলধন হ'ল জীৱন নিৰ্বাহৰ বাবে অত্যাৱশ্যকীয় ভেটি (ধন, ঋণ, জমা, অন্য আৰ্থিক সম্পত্তি)। এই অঞ্চলৰ অতি সীমিত সংখ্যক মানুহৰ (২ শতাংশৰ) নিজৰ বেংক একাউণ্ট আছে। অন্য সুবিধা যেনে স্বাস্থ্য বীমা, শস্য বীমা, বেংক লোন, ক্ষুদ্ৰ সঞ্চয় আদি নায়েই।

এই ক্ষেত্ৰ অৰ্নৈতিক আৰু বিত্তীয় মূলধনৰ সুবিধা বৃদ্ধিৰ আৱশ্যক আছে। বেংক একাউণ্ট, স্বাস্থ্য বীমা, শস্য বীমা, বেংক লোন, ক্ষুদ্ৰ সঞ্চয় আদি সুবিধা প্ৰদন কৰি এই অঞ্চলৰ জীৱিকাৰ ৰূপৰেখা উন্নয়ন কৰিব পৰা যায়।

## ৫। বস্তুগত মূলধন

বস্তুগত মূলধন হ'ল জীৱন নিৰ্বাহৰ প্ৰাথমিক আন্তঃগাঠনি তথা সা-সৰঞ্জাম। উদাহৰণস্বৰূপে পৰিবহণ আৰু যোগাযোগ ব্যৱস্থা, আশ্ৰয়গৃহ, পানী অনাময় ব্যৱস্থা, শক্তি ইত্যাদি। এই অঞ্চলৰ কাৰিকৰী মূলধন অতি নিম্নমানৰ। ইয়াত বাট-পথ বেয়া, পৰিবহণ-যোগাযোগ ব্যৱস্থা দুৰ্বল, পানী আৰু অনাময় ব্যৱস্থা সঠিক নহয়, বিদ্যুতৰ যোগান নাই।

এই জে এফ এম চিৰ জীৱন নিৰ্বাহ ব্যৱস্থাৰ উন্নয়নৰ বাবে কাৰিকৰী মূলধনৰ উন্নয়নত গুৰুত্ব দিব লাগিব, ৰাস্তা, পানী, অনাময় ব্যৱস্থা, সৌৰশক্তি চালিত বিদ্যুৎ ব্যৱহাৰ কাৰ্যকৰী কৰিব লাগিব।

## স্থানাংক

তলৰ তথ্যসমূহৰ বাবে স্থানাংক অনুশীলন কৰা হয়।

- **জীৱিকা আৰু দক্ষতা উন্নয়ন**
- **প্ৰাৰম্ভিক কাৰ্যসচী (ই পি এ)**

পৰিশিষ্ট— **৩**ত বিতং তথ্য প্ৰদান কৰা হৈছে। ইয়াৰ পৰা পোৱা যায়—

জীৱিকা আৰু দক্ষতা উন্নয়নৰ স্থানাংক

ক) কৃষি
খ) পশুধন
গ) ঔষধি উদ্ভিদ।

**তালিকা ঃ জ**— প্ৰাৰম্ভিক কাৰ্যসূচীৰ স্থানাংক

| স্থানাংক | গাঁৰৰ প্ৰাৰম্ভিক কাৰ্যসূচী (স্থানাংক অনুসৰি) | বৰ্ণনা (পৰিশিষ্ট-৩ত (অতিৰিক্ত তথ্য) | পুঁজিৰ সাম্ভাব্য উৎস/ বিভাগ |
|---|---|---|---|
| ১ | অনাময় | কম খৰচী ঘৰুৱা শৌচাগাৰ প্ৰদান চেপ্টিক আৰু ছেনিটাৰী প্ৰসাৰ | স্বচ্চ ভাৰত অভিযান/ জনস্বাস্থ্য কাৰিকৰী বিভাগ |
| ২ | স্বাস্থ্য কেন্দ্ৰ | গাঁৰৰ ভিতৰত উপস্বাস্থ্য কেন্দ্ৰ | ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযান স্বাস্থ্য আৰু পৰিয়াল কেন্দ্ৰ |
| ৩ | খোৱা পানী | কমেও চাৰিটা কুঁৱা | ই পি এ/এ পি এফ বি চি এন আৰ ডি ডব্লিউ পি |
| ৪ | বিদ্যালয় | উচ্চ মাধ্যমিক বিদ্যালয় | এছ এছ এ/প্ৰাঃ শিক্ষা বিভাগ |

**উৎস ঃ পি আৰ এ**

## জীৱিকাৰ সুবিধাসমূহ

গাঁওবাসীৰ বৰ্তমান জীৱিকা অধ্যয়ন কৰি গাঁৱত দক্ষতাৰ প্ৰয়োজনীয়তা সম্বন্ধে বিশ্লেষণ কৰা হৈছে। এই শ্ৰেণীসমূহ কৃষিক্ষেত্ৰ আৰু অ-কৃষিক্ষেত্ৰ দুটা ভাগত ভাগ কৰা হৈছে। দক্ষতা বিকাশ প্ৰশিক্ষণ কাৰ্যসূচী সম্পৰ্কে মানুহৰ প্ৰতিক্ৰিয়াসমূহ তলৰ তালিকাত প্ৰকাশ কৰা হ'ল।

**তালিকা-ঝ ঃ জীৱিকা সুবিধাৰ স্থানাংক**

| প্ৰশিক্ষণৰ প্ৰকাৰ | পচন্দৰ বিকল্প | | | | |
|---|---|---|---|---|---|
| | ১ | ২ | ৩ | ৪ | ৫ |
| কৃষি আৰু সম্বন্ধীয় কাৰ্য বিষয়ৰ | ১ | - | - | - | - |
| উদ্যানশস্য বিষয়ৰ | - | - | - | ৪ | - |
| পশুধন বিষয়ৰ | - | ২ | - | - | - |
| হস্তশিল্প | - | - | - | ৪ | - |
| হস্ততাঁত | - | - | - | ৪ | - |
| অন্যান্য ( এন টি এ পি) | ১ | - | - | - | - |

দেখা গ'ল যে কৃষি আৰু সম্বন্ধীয় কাৰ্যৰ যেনে মৌ মাখি পালন, বয়ন আদিৰ প্ৰশিক্ষণৰ পচন্দ অধিক। দ্বিতীয় আৰু তৃতীয় পচন্দৰ বিষয় হৈছে উদ্যানশস্য আৰু পশুপালন। হস্তশিল্প যেনে- বাঁহ-বেঁত, হস্ততাঁত আদি কম পচন্দত পোৱা গৈছে।

## বন উন্নয়ন সুবিধাসমূহ

নাদবি লাংটিং জে এফ এম চিত বনাঞ্চল উন্নয়নৰ সুবিধাসমূহৰ ক্ষেত্ৰত মানুহৰ সচেতনতা বুজি পাবলৈ স্থানাংক নিৰূপণ কৰা হৈছে। তলৰ বিৱৰণত স্থানাংক অনুসৰি বন উন্নয়নৰ সুবিধাসমূহ দেখুৱাব। (পৰিশিষ্টত মেট্ৰিক্স স্থানাংক দিয়া হৈছে)

১। কাঠখনিৰৰ গছ ৰোপণ, ২। মটিৰ সীম নিৰ্ধাৰণ, ৩। ঔষধি অকাঠি উদ্ভিদ ৰোপণ, ৪ উদ্যানৰ গছ ৰোপণ, ৫। ধ্বংসপ্ৰাপ্ত বনৰ উন্নতি, ৬। বাঁহ ৰোপণ, ৭। অৰণ্য সংৰক্ষণ, ৮। প্ৰকৃতিৰ ৰক্ষা, ৯। পশু খাদ্যৰ খেতি।

## কৃষি আৰু উদ্যানশস্য

**তথ্য ২ৰ তালিকা** ১২ত কৃষি তথা উদ্যানশস্যৰ সুবিধাসমূহ সম্পৰ্কীয় তথ্য পোৱা যাব।

ইয়াৰ মূল বাধা প্ৰতিবন্ধকতা হ'ল—

ক) সাৰ আৰু কীটনশক উপেক্ষা

খ) জলসিঞ্চনৰ অভাৱ

গ) কৃষি, আন্তঃগাঠনি, সামগ্ৰী যেনে পৱাৰ টিলাৰ, ট্ৰেক্টৰ আদিৰ অভাৱ

ঘ) উচ্চ মানৰ বীজৰ ব্যৱহাৰ নোহোৱা ইত্যাদি।

সুবিধাসূহ হ'ল—

ক) উপযুক্ত আৰু সীমিত কীটনাশক দ্ৰব্যৰ ব্যৱহাৰ।

খ) নতুন উন্নত কাৰিকৰী কৌশলৰ ব্যৱহাৰ।

গ) সু-সংগঠিত প্ৰশিক্ষণ। গাঁওবাসীয়ে জন্মসূত্ৰেই কৃষিৰ দক্ষ। কেৱল ইয়াৰ উন্নতিকৰণ প্ৰয়োজন।

পৰামৰ্শমূলক আঁচনি—

ট্ৰেক্টৰ চালনৰ প্ৰশিক্ষণ

কৃষি দক্ষতা বিকাশ পাঠ্যক্ৰম

কীটনাশক দ্ৰব্য, হাইব্ৰিড কৃষিৰ প্ৰশিক্ষণ।

### পশুধন

**তালিকা ১৩**ত এই পশুধন সম্পৰ্কীয় অতিৰিক্ত তথ্য দিয়া হ'ল।
মূল প্ৰতিবন্ধকতাসমূহ—
ক) আৰ্থিক কাৰণত পশুখাদ্য কিনাৰ অসমৰ্থ।
খ) শস্যৰ অৱশিষ্ট আৰু ঘাঁহজাতীয় খাদ্য মাত্ৰ ৩-৬ মাহ পোৰা যায়। গোটেই বছৰ পোৰা টান।
গ) পশু চিকিৎসাৰ গাড়ীৰ ব্যৱস্থা নাই।
ঘ) পশুধন প্ৰতিপালনৰ জ্ঞানৰ অভাৱ।
ইয়াৰ সুবিধাসমূহ—
ক) পশুধন প্ৰতিপালনৰ পৰা উচ্চ উপাৰ্জন।
খ) বজাৰত গাখীৰ উচ্চ চাহিদা, কাৰণ এই অঞ্চলৰ পৰা কোকৰাঝাৰ সদৰ আৰু পশ্চিমবংগ ৰাজ্য বহু নিলগত।
পৰামৰ্শমূলক আঁচনি
ক) গাহৰি পালন
খ) কুকুৰা

## এন ডব্লিউ এফ পি

এন ডব্লিউ এফ পিৰ সুবিধাসমূহ তালিকাযুক্ত তথ্য **২**ৰ **তালিকা ১৪**ত সন্নিবিষ্ট আছে।
মূল প্ৰতিবন্ধকতা ঃ
ক) এন ডব্লিউ এফ পি কম পৰ্যাপ্ততা
খ) কাৰিকৰী জ্ঞানৰ অভাৱ
গ) প্ৰচেছিং ইউনিটৰ অভাৱ
সুবিধাসমূহ
ক) সাৰুৱা ভূমিৰ পৰ্যাপ্ততা
পৰামৰ্শমূলক আঁচনি ঃ
ক) ফল-মূল গছৰ ৰোপণ
খ) ঔষধী গছ ৰোপণ

### বিশেষ দক্ষতা

দক্ষতা বিকাশৰ সুবিধাসমূহ তথ্য **২** ৰ তালিকা **১৫** ত সন্নিবিষ্ট আছে।
মূল প্ৰতিবন্ধকতা

ক) উৎপাদিত সামগ্ৰীৰ ভিন্নতাৰ অভাৱ
খ) সামগ্ৰীৰ গুণাগুণৰ গৱেষণাৰ অভাৱ
গ) টি কিউ এম প্ৰযুক্তিৰ অভাৱ
সুবিধাসমূহ ঃ
ক) যোগাযোগৰ সু-ব্যৱস্থা প্ৰদান
খ) দক্ষতা ধাৰকৰ প্ৰশিক্ষণ
গ) চৰকাৰী অৰ্থ সাহায্য
পৰামৰ্শমূলক আঁচনি

- আধুনিক প্ৰযুক্তি আৰু সা-সজুলিৰ প্ৰশিক্ষণ
- গাঁওবাসীক আধুনিক প্ৰযুক্তিৰ আহিলা প্ৰদান
- নতুন সামগ্ৰী ভিন্নতা আৰু উন্নতিৰ প্ৰশিক্ষণ, দক্ষতা বৃদ্ধি।
- কেঁচা সামগ্ৰীৰ ভাণ্ডাৰ নিৰ্মাণ
- সামগ্ৰীৰ বাবে ক্ৰেতা প্ৰতিষ্ঠানৰ দ্বাৰা বৃহৎ ক্ৰয়ৰ ব্যৱস্থা।

## ঋণৰ সুবিধা

তথ্য **২** ৰ তালিকা **১৬** ত এই বিষয়ৰ আলোচনা আছে।
মূল বাধা—
ক) সংগঠিত ঋণৰ উৎসৰ অভাৱ
খ) ব্যক্তিগত ঋণ দিওতাৰ উচ্চ সুতৰ হাৰ
সুবিধাসমূহ—
ক) আধুনিক বিত্তীয় প্ৰতিষ্ঠান স্থাপন
খ) সঠিক সজাগতা
পৰামৰ্শমূলক কাৰ্যসূচী
ক) নিকটৱৰ্তী এলেকাত আধুনিক বিত্তীয় প্ৰতিষ্ঠান স্থাপন।

## কৌশলগত হস্তক্ষেপ

উল্লেখিত পৰামৰ্শমূলক কৰ্মসূচীসমূহ জীৱিকা উন্নয়ন আঁচনিৰ কৌশলগত হস্তক্ষেপ হিচাপে সংক্ষিপ্ত কৰি পোৱা যায়।
ক) **কৃষি আৰু উদ্যানশস্য ঃ** ট্ৰেক্টৰ চালন প্ৰশিক্ষণ, কৃষি দক্ষতা বিকাশ, পাঠ্যক্ৰম, কীটনাশক ৰাসায়নিক দ্ৰব্য, হাইব্ৰিড কৃষিকাৰ্য আদিৰ প্ৰশিক্ষণ।
খ) **পশুধন ঃ** গাহৰি, কুকুৰা।
গ) **এন ডব্লিউ এফ পি ঃ** খাদ্য প্ৰদানকাৰী উদ্ভিদ, ঔষধী উদ্ভিদ ৰোপণ।
ঘ) **বিশেষ দক্ষতা ঃ** আধুনিক কাৰিকৰী আহিলাৰ প্ৰশিক্ষণ, গাঁওবাসীক আধুনিক প্ৰযুক্তি প্ৰদান, সামগ্ৰীৰ উন্নয়ন আৰু ভিন্নতাৰ প্ৰশিক্ষণ আৰু দক্ষতা বিকাশ, কেঁচা সামগ্ৰী মজুত ভাণ্ডাৰ স্থাপন, উৎপাদিত সামগ্ৰীৰ বৃহৎ ক্ৰয়ৰ ব্যৱস্থা।
ঙ) **ঋণৰ সুবিধা ঃ** নিকটৱৰ্তী এলেকাত আধুনিক বিত্তীয় প্ৰতিষ্ঠান স্থাপন।

| ৪. জীৱিকা উন্নয়ন পৰিকল্পনা | |
|---|---|
| **উপাৰ্জন সৃষ্টি কাৰ্যসূচী** | গাঁওখনৰ বাবে পৰিকল্পনা কৰা মূল জীৱিকা সৃষ্টি কাৰ্যসূচীসমূহ হ'ল ঃ<br>১) কুকুৰা আৰু গাহৰি পালন<br>২) লা খেতি।<br>৩) উদ্যান শস্য<br>অনা কৃষি খণ্ড ঃ<br>১) হস্তত াঁত/বয়ন<br>২) গাড়ী চালন<br>৩) ইলেক্ট্ৰিচিয়ান<br>৪) বয়ন উদ্যোগ |
| **আত্মসহায়ক গোটৰ কাৰ্যকলাপ** | গাঁৱৰ আত্মসহায়ক গোটসমূহে তলৰ কাৰ্যসূচীসমূহ পৰিকল্পনা কৰিব পাৰে ঃ<br>১) সজাগতা সৃষ্টি<br>২) গোট গঠন<br>৩) গাঁওবাসীক জীৱিকা কাৰ্যসূচীত অংশগ্ৰহণ কৰোৱা |
| **শিক্ষামূলক ভ্ৰমণ** | শিক্ষামূলক ভ্ৰমণ পৰিকল্পনা কৰিব পাৰি এইদৰে<br>১) ৰাষ্ট্ৰীয় হস্তত াঁত প্ৰতিষ্ঠানলৈ শিক্ষামূলক ভ্ৰমণ<br>২) কৃষি বিশ্ববিদ্যালয়লৈ<br>**উৎস ঃ তথ্য ঃ ৪ৰ তালিকা ঃ ৩৪** |
| **কৰ্মসূচীৰ সাৰাংশ** | পৰৱৰ্তী পৃষ্ঠাত সংলগ্ন কৰা হৈছে। |
| **সংপৃক্তকৰণ** | পৰিকল্পিত পদক্ষেপসমূহ ভাৰত চৰকাৰৰ তলত উল্লেখিত আঁচনিসমূহৰ সৈতে সংপৃক্ত কৰিব পাৰি—<br>১) ৰাষ্ট্ৰীয় গ্ৰাম্য নিয়োগ নিশ্চিতকৰণ আঁচনি— গ্ৰাম্য নিয়োগৰ বাবে।<br>২) ৰাষ্ট্ৰীয় কৃষি বিকাশ যোজনা— কৃষি আৰু সংলগ্ন ক্ষেত্ৰৰ বাবে।<br>৩) ৰাষ্ট্ৰীয় কৃষি সঞ্চয় যোজনা— পানীৰ উৎস উন্নয়নসহ জলসিঞ্চন<br>৪) ৰাষ্ট্ৰীয় গ্ৰামীণ জীৱিকা অভিযান<br>৫) দক্ষতা বিকাশ আঁচনি<br>৬) গ্ৰামোন্নয়ন আৰু জীৱিকাৰ বাবে উপযোগী অন্যান্য আঁচনি।<br>উপৰোক্ত সংপৃক্তকৰণে বৰ্তমানৰ পৰিকল্পনাক সহায় কৰাৰ লগতে ভৱিষ্যৎ প্ৰকল্পতো সহায় কৰিব। |

## নাবডি লাংটিং জে এফ এম চিৰ কৰ্ম পৰিকল্পনা

| ক্ৰমাংক | কাৰ্যসূচী | সংখ্যা | প্ৰক্ৰিয়া, পদ্ধতি | ধনৰাশি (টকা) |
|---|---|---|---|---|
| ক. অংশদাৰিত্ব ক্ষুদ্ৰ পৰিকল্পনা | | | | |
| ১ | ক্ষুদ্ৰ পৰিকল্পনা গঠন | ১ | পি আৰ এ, প্ৰাথমিক সমীক্ষা | ১,০০০০০.০০ |
| | মুঠ | | | ১,০০০০০.০০ |
| খ. উৎপাদক সংগঠক আৰু উদ্যমী সৃষ্টি আৰু প্ৰযুক্তি (প্ৰযুক্তি নিৰ্মাণ) | | | | |
| ১ | সজাগতা সৃষ্টি কাৰ্যসূচী | ১ | সজাগতা সৃষ্টি | ২,০০,০০০.০০ |
| খ-১ | দক্ষতা বিকাশ প্ৰশিক্ষণ | | | |
| ১ | দক্ষতা বিকাশ প্ৰশিক্ষণ ইলেক্ট্ৰিকেল (১৫নং) ৰেডিমেড কাপোৰ (১৫ নং) | ১ | দক্ষতা বিকাশ প্ৰশিক্ষণ কাৰ্যসূচী গ্ৰহণ | ২,০০,০০০.০০ |
| ২. | দক্ষতা বিকাশ প্ৰশিক্ষণ ঝাড়ু তৈয়াৰী | ১ | দক্ষতা বিকাশৰ প্ৰশিক্ষণ কাৰ্যসূচী (৪০ দিনীয়া) | ২,০০,০০০.০০ |
| ৩ | ক্ষুদ্ৰ উদ্যোগৰ প্ৰশিক্ষণ | ১ | তিনি দিনীয়া উদ্যোগী | ৫০,০০০.০০ |
| | মুঠ | | | ৪,৭০,০০০.০০ |
| গ. সামাজিক | | | | |
| ১ | উমৈহতীয়া গোট (যেনে- আত্ম সহায়ক গোট, সংস্থা, বেচৰকাৰী সংগঠন, কোম্পানী) আদি গঠনৰ সজাগতা সৃষ্টি | | সমবায় ভিত্তিত উমৈহতীয়া গোট গঠনৰ বাবে ৪ দিনীয়া সজাগতা শিবিৰ | ৫০,০০০.০০ |
| ২ | স্বনিয়োজন আৰু নিয়োগৰ প্ৰচাৰ কাৰ্যসূচীৰ বাবে সহযোগ আৰু সংযোগ | | ২০১৭ ৰ মাৰ্চলৈকে বছৰ জোৰা সহযোগ, আই আই ইৰ বিশেষজ্ঞৰ দ্বাৰা | ৫০,০০০.০০ |
| | মুঠ | | | |
| ঘ. মূল্য শৃংখল উন্নয়ন | | | | |
| ঘ-১ | মূল্য শৃংখল উন্নয়নৰ যোগেদি সামগ্ৰীৰ উন্নয়ন | | | |
| ১ | ৰেডিমেড কাপোৰৰ মূল্য শৃংখল উন্নয়ন | ১ | ১০ দিনীয়া প্ৰশিক্ষণ ডিজাইনৰ ভিন্নতা | ৫০,০০০ |
| ঘ-২ | আধুনিক সঁজুলিৰ যোগান | | | |
| | দৰ্জিৰ বাবে আধুনিক সঁজুলি যোগান | ৭ | আধুনিক সঁজুলিৰ যোগান | ১,৫০,০০০.০০ |
| | বৈদ্যুতিক সঁজুলিৰ যোগান | ১৫ | চিলাই মেচিনৰ যোগান | ৭০,০০০.০০ |
| ঘ-২ | উন্নত উৎপাদন আৰু প্ৰচেছিং সামৰ্থ | | | ১,৩০,০০০.০০ |
| | মুঠ | | | ৪,০০,০০০.০০ |

| ঙ. বজাৰ লাভ | | | | |
|---|---|---|---|---|
| ঙ-১ | আনুষ্ঠানিক ক্ৰেতা আৰু চৰকাৰী অনুষ্ঠানৰ সংযোগ (বছৰজুৰি) | ২ | | ৮০,০০০.০০ |
| ঙ-২ | বনবজাৰ স্থাপন | বৰ্ষজোৰা | বনবজাৰৰ সংযোগ | ১,০০,০০০.০০ |
| ঙ-৩ | প্ৰদৰ্শনী অংশগ্ৰহণ | ১ | বনবিভাগৰ যোগেদি প্ৰদৰ্শনীৰ অংশগ্ৰহণ | ১,২০,০০০.০০ |
| ঙ-৪ | অন্য ভৌগোলিক বজাৰ লাভ | ১ | শিক্ষামূলক ভ্ৰমণ | ১,২০,০০০.০০ |
| ঙ-৫ | ই-পাৰ্টেল, সৰু পুস্তিকা, | ১ | সজাগতা কাৰ্যসূচী | |
| ৩ | সাৰণী আদিৰে প্ৰচাৰ | ১ | দুদিনীয়া প্ৰশিক্ষণ | ৬০,০০০.০০ |
| | মুঠ | | | ৪,৮০,০০০.০০ |
| | সৰ্বমুঠ | | | ১৫,৫০,০০০ |

**৫। বনোন্নয়ন পৰিকল্পনা**

নাবদিড লাংটিং জে এফ এম চিৰ ক্ষুদ্ৰ পৰিকল্পনাৰ অংশ হিচাপে গাঁও অঞ্চলৰ বনোন্নয়ন পৰিকল্পনা বিস্তৃত পি আৰ এ অনুশীলনৰ পিছত প্ৰস্তুত কৰা হৈছে। এই পৰিকল্পনাৰ উদ্দেশ্যসমূহ হ'ল জৈৱ-বৈচিত্ৰ্যৰ সংৰক্ষণ, পাৰিবেশিক কাৰ্যসূচী আৰু জে এফ এম চিৰ অন্তৰ্গত বনাঞ্চলৰ উৎপাদন সক্ষমতা, বহন ক্ষম ব্যৱস্থাৰে সম্প্ৰদায়ৰ ব্যৱহাৰ আৰু জীৱন ধাৰণৰ প্ৰয়োজনীয়তাসমূহ লাভ কৰা।

**১। জে এফ এম চিৰ বনাঞ্চলৰ অৱস্থা**

এই জে এফ এম চিৰ অন্তৰ্গত বনাঞ্চলসমূহৰ বাবে এই ক্ষুদ্ৰ পৰিকল্পনাই তলৰ বিভাগসমূহ বিবেচনা কৰিছে।

ক) বন বিভাগৰ দ্বাৰা জে এফ এম চিৰ অন্তৰ্গত বনাঞ্চলসমূহ আৰু

খ) বৃক্ষৰোপণ/বৃক্ষৰোপণ কৰিবলগা সম্প্ৰদায়ৰ ভূমি আৰু অন্যান্য ভূমি, যিসমূহ বনাঞ্চলৰ জাননীৰ বাহিৰত

উপৰোক্ত দুয়োটা বিভাগৰে জে এফ এম চি বনাঞ্চলৰ অৱস্থা সম্পৰ্কে তলত আলোচনা কৰা হ'ল ঃ

**১.১। বনাঞ্চল আৰু ইয়াৰ অৱস্থা**

জে এফ এম চিৰ অন্তৰ্গত বনাঞ্চলৰ পূৰ্ণ বিৱৰণ প্ৰফৰ্মা-৩ৰ (বনোন্নয়ন পৰিকল্পনা) অধীনত তালিকা-৩.১ত দাখিল কৰা হৈছে, যিসমূহ এই ক্ষুদ্ৰ পৰিকল্পনাত পৰিশিষ্ট হিচাপে সংলগ্ন কৰা হৈছে। অন্যান্য বৃক্ষৰোপন কৰা বা বৃক্ষৰেপিত কৰিবলগীয়া এলেকা বিবেচনা কৰাৰ পিছত, নাবডি লাংটিং জে এফ এম চিৰ বনাঞ্চলৰ অৱস্থা তলত দিয়াৰ ধৰণে চমুকৈ দাঙি ধৰা হ'ল।

**তালিকা-১ ঃ নাবডি লাংটিং জে এফ এম চিৰ বনাঞ্চলৰ অৱস্থা**

| চিহ্নিতকৰণ | জে এফ এম চি বনাঞ্চলৰ আয়তন (হেক্টৰ) | গাঁৰৰ পৰা দূৰত্ব (কিঃ মিঃ) | বনাঞ্চলৰ অৱস্থা (ভাল-বনৰ ৪০% আৰু ততোধিক ক্ৰাউন ঘনত্ব বাকী- 'ক্ষতিগ্ৰস্ত') | সম্প্ৰদায়ৰ দ্বাৰা ব্যৱহাৰৰ ব্যৱধানতা (২-৩ মাহ/৩-৬ মাহ/৬-৯ মাহ/৯ মাহৰ বেছি) |
|---|---|---|---|---|
| **(ক) ন্যস্ত বনাঞ্চল** | | | | |
| আৰ এফ / পি আৰএফ, নামঃ মাইবং ৰেঞ্জ, ডিমা হাচাও পূব ডিভিজন<br>লাট ঃ<br>খণ্ড ঃ | ২১০ হেক্টৰ | ২ কিঃমিঃ | ভাল এলেকা ঃ ১৬০ হেক্টৰ<br>ক্ষতিগ্ৰস্ত এলেকা ঃ ৫০ হেক্টৰ | ৩-৬ মাহৰ |
| **(খ) অন্যান্য ৰোপিত এলেকা** | | | | |
| স্থান ঃ<br>**বনাঞ্চলৰ প্ৰকাৰ**<br>চিৰ সেউজ<br>ভি এফ, অন্যান্য | | | ভাল এলেকা ঃ নাই<br>ক্ষতিগ্ৰস্ত এলেকা ঃ নাই | |
| **মুঠ** | ২১০ হেক্টৰ | | ভাল এলেকা ঃ ১৬০ হেক্টৰ<br>ক্ষতিগ্ৰস্ত এলেকা ঃ ৫০ হেক্টৰ | |

**উৎস ঃ প্ৰফ'ৰ্মা-৩, তালিকা ৩.১** / বন বিষয়া আৰু গাঁওবাসীৰ সৈতে আলোচনা

ইয়াৰ পৰা দেখা গ'ল যে নাবডি লাংটিং জে এফ এম চিৰ অন্তৰ্গত ২১০ হেক্টৰ বনাঞ্চল, য'ত ১৬০ হেক্টৰ 'ভাল' আৰু ৫০ হেক্টৰ ক্ষতিগ্ৰস্ত।

**১.২। বনভূমিৰ প্ৰকাৰ ঃ**

নাবডি লাংটিং জে এফ এম চিৰ বনাঞ্চল সাৰুৱা প্ৰকৃতিৰ ভূমিত অৱস্থিত, ইয়াৰে কিছু আভাস তলত দাঙি ধৰা হ'ল।

**তালিকা- ২ ঃ নাবডি লাংটিং জে এফ এম চিৰ বনভূমিৰ প্ৰকাৰ**

| পৰিমাপ | ন্যস্ত বনাঞ্চলৰ অৱস্থা | বৃক্ষৰোপিত অন্যান্য এলেকাৰ অৱস্থা |
|---|---|---|
| উৰ্বৰতাৰ পৰ্যায় | ২.৩ পৰা ২.৯৪% জৈৱিক। ইয়াত এন, পি২০৫ আৰু কে২০ উৰ্বৰতাত থকাতকৈ কম | — |
| ভূমি ক্ষয়ৰ অৱস্থা | | |
| উপস্থিতি ঃ | | |
| (ক) পলস | ২৪% | নাই |
| (খ) বোকামাটি | ৩১% | নাই |
| (গ) ন-উৰ্বৰ ভূমি | নিম্ন | নাই |
| (ঘ) বালিচাহি | ৪৫% | নাই |

**উৎস ঃ প্ৰফৰ্মা-৩,** খ- বনাঞ্চলৰ ভূমিৰ প্ৰকাৰ/ বন বিষয়া আৰু গাঁওবাসীৰ সৈতে আলোচনা

নাবডি লাংটিং জে এফ এম চি ৰ বনভূমিৰ সাৰাংশ

ক) এণ্টিচল (৩০.৩%)

খ) ইচেপ্টচল (৫১.৩%)

গ) আলফিচল (১১.৩%)

ঘ) উল্টিচল (৭.১%)

**বনাঞ্চলৰ বৰ্তমান উদ্ভিদসমূহ**

নাবডি লাংটিং জে এফ এম চিৰ বনাঞ্চলৰ বৰ্তমান উদ্ভিদসমূহ তলত দিয়া হ'ল। এইটো মন কৰিবলগীয়া যে স্থানীয় বনাঞ্চলসমূহ উজনি অসম সিক্ত চিৰসেউজ বনাঞ্চলৰ শ্ৰেণীভুক্ত কৰা হৈছে।

**তালিকা ৩ ঃ নাবডি লাংটিং জে এফ এম চিৰ বৰ্তমান উদ্ভিদসমূহ**

| **পৰিমাপ** | **স্থানীয় নাম** | **বৈজ্ঞানিক নাম** |
|---|---|---|
| মুখ্য বন প্ৰজাতি | কৰৈ | এলবিজিয়া প্ৰ'চেৰা |
| সংঘভুক্ত | গমাৰি | গমেলিনা আৰবোৰিয়া |
| গুল্ম | ঢেঁকীয়া | ফেৰনচ |
| | ভোট জলকীয়া | কেপচিকাম, চাইনীজ |
| ঔষধি উদ্ভিদ | অৰ্জুন | টাৰ্মিনেলিয়া অৰ্জুনা |
| | শিলিখা | টাৰ্মিনেলিয়া চেবুলা |
| | নিম | আজাদ্ৰিএক্টনিডিকা |
| | আমলখি | কিলানন্থাছ এমব্লিকা |
| উৎপাদিত সামগ্ৰী | | |
| অন্যান্য | জৰী বেঁত | কেলেমাছ এৰেক্টাছ |
| | জাতি বেঁত | কেলেমাছ টে |
| | ৰাইদাং বেঁত | কেলেমাছ ৰোটাং |
| | চুলি বেঁত | কেলেমাছ ফ্লেজেলাম |
| | লেজাই বেঁত | কেলেমাছ ফ্ল'ৰিবান্দাছ |
| | কেঁকো বাঁহ | ডি হামিল্ট'নি |
| | পাহাৰী জাতি বাঁহ | অক্সিটেন্থেৰা পাৰ্ভিফ'লিয়া |
| | ডুলু বাঁহ | স্কিজ'ষ্টেচিয়াম ডুলুৱা |
| | আমলখি | এমব্লিকা অফিচিনালিছ |
| | হলখ | টাৰমিনালিয়া মিৰিওকাৰপা |
| | হলং | দিপ্টেৰকাৰপাছ মেক্ৰ'কাৰপাছ |
| | অৰ্জুন | টাৰমিনালিয়া অৰ্জুনা |
| | অগৰ | একুইলাৰিয়া এলালোচা |

**উৎস ঃ প্ৰফ'ৰ্মা-৩, 'গ। বনাঞ্চলৰ বৰ্তমান উদ্ভিদসমূহ'/** বন বিভাগৰ কৰ্মচাৰী আৰু সম্প্ৰদায়ৰ সদস্যৰ সৈতে আলোচনা

## ২। বনোন্নয়ন পৰিকল্পনাৰ অন্যান্য কাৰ্যসূচী

তলৰ উপশাখাসমূহত নাবডি লাংটিং জে এফ এম চিৰ বনোন্নয়ন পৰিকল্পনাৰ অন্যান্য কাৰ্যসূচীসমূহ দিয়া হ'ল ঃ

### ২.১। জে এফ এম চিৰ অতীতৰ সুৰক্ষা ব্যৱস্থা

নাবডি লাংটিং জে এফ এম চিত অতীত লোৱা বন সুৰক্ষা ব্যৱস্থাসমূহ তলত আলোচনা কৰা হ'ল ঃ

ক) অন্তৰ্ভুক্ত পৰিয়াল ঃ ১৮৩

খ) অন্তৰ্ভুক্ত মানুহ ঃ ১৮৩ (প্ৰতিঘৰৰ এগৰাকী)

গ) ব্যৱস্থাৰ সাৰাংশ ঃ পোৱা নাই

ঘ) কোনো আনুষ্ঠানিক ব্যৱস্থা ঃ পোৱা নাই

(**উৎস ঃ প্ৰফ'ৰ্মা-৩,** জে এফ এম চিৰ অৱস্থা viii + ix' /বন বিভাগৰ কৰ্মচাৰী আৰু জে এফ এম চিৰ সদস্যৰ সৈতে আলোচনা)

### ২.২। বনজ উৎপাদনৰ ঘৰুৱা চাহিদা

স্থানীয় সম্প্ৰদায়ৰ ঘৰুৱা চাহিদাৰ বাবে বনজ উৎপাদনৰ ওপৰত নিৰ্ভৰশীলতাৰ তথ্য তলৰ তালিকাত দাঙি ধৰা হ'ল।

**তালিকা- ৪ (ক) ঃ নাবডি লাংটিং জে এফ এম চিৰ প্ৰতিটো পৰিয়ালৰ বনজ উৎপাদনৰ ঘৰুৱা চাহিদা**

| বনজ উৎপাদনৰ নাম | পৰিয়ালৰ গড় চাহিদা | | বৰ্তমান কিভাৱে চাহিদা পূৰণ হৈছে | উৎস |
|---|---|---|---|---|
| | চাহিদাৰ সময় ব্যৱধান | আনুমানিক পৰিমাণ | | |
| কাঠখৰি | সঘনাই | ৬০-৭৫কেজি | - | বনাঞ্চল |
| ঘৰৰ বাবে কাঠ (খুঁটা আকাৰত) | বছৰত এবাৰ | ২সংখ্যক | - | বনাঞ্চল |
| ব্যৱহাৰৰ বাবে সৰু কাঠ | - | - | - | - |
| খুঁটা/বাঁহ | মাহেকত এবাৰ | ২-৩টা বাঁহ প্ৰতি মাহ | - | বনাঞ্চল |
| বনাঞ্চলৰ পৰা পশুখাদ্য | সঘনাই | ৫-৬কেজি/দিনে | - | বনাঞ্চল |
| এন টি এফ পি | সঘনাই | ২-৩কেজি/দিনে | - | বনাঞ্চল |
| অন্যান্য | নাই | - | - | - |

**উৎস ঃ প্ৰফ'ৰ্মা-৩, তালিকা-৩.২**/বন বিভাগৰ কৰ্মচাৰী আৰু জে এফ এম চিৰ সদস্যৰ সৈতে আলোচনা

